# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 12-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

পঞ্চায়ত নিৰ্বাচনৰ বাবে কালি মনোনয়ন পত্ৰ দাখিলৰ অন্ত পৰাৰ পাছত আজি মনোনয়ন পত্ৰসমূহৰ পৰীক্ষণ হৈছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪টা জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ২৪টা জিলা পৰিষদ সমষ্টিত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে ৮ নম্বৰ বেকেলী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দেৱজ্যোতি ৰাভা, এক নম্বৰ পঞ্চতীৰ্থ হাজো জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী ৰীতা তালুকদাৰ আৰু ২৪ নম্বৰ শৰাইঘাট কেতেকীবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী বিৰাজ কুমাৰ নাথে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ১৩৯টা আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে ৩১৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

অহা ২ মে'ত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ধেমাজি জিলাত ১২টা জিলা পৰিষদ সমষ্টিৰ বাবে ৩৯ জন প্ৰাৰ্থীয়ে আৰু ৫ খন আঞ্চলিক পঞ্চায়ত সমষ্টিৰ বাবে ১৩৯ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়তৰ  ৬৫০টা ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৭৭০ জনে মনোনয়ন পত্ৰ দাখিল কৰিছে।

০০০০০

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কাইলৈ বিহুৰ উৰুকা। পৰহিলৈ ৰাজ্যখনৰ জনসাধাৰণে গোধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালন কৰিব। মঙলবাৰে অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে। গাঁৱে-ভূঞে, চহৰে-নগৰে ৰঙালী বিহুক লৈ উৎসাহ-উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। ইফালে বিহুৰ বতৰতে অসমৰ গামোচাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে গামোচাৰ বিপণী মুকলি কৰা হৈছে। মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। অনুৰূপ ধৰণে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই গৰু বিহুৰ দিনা জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্রিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ড০ ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্রদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্রতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্রদান কৰা হ'ব। তিনিদিনীয়া কাৰ্যসূচীত হুঁচৰি, সাংস্কৃতিক সন্ধিয়া আৰু ১০ গৰাকী জ্যেষ্ঠ শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

নগাঁৱৰ শিক্ষানুষ্ঠান নৱৰূপ জাতীয় বিদ্যাপীঠ আৰু নৱৰূপ কণিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত আজি ৰঙালী বিহু আদৰণি উৎসৱ অনুষ্ঠিত হয়। ৰাজ্যৰ বহু শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলক ৰঙালী বিহুৰ পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ উদ্দেশ্যে এনেধৰণৰ উৎসৱৰ আয়োজন কৰা হয়। ৰাজ্যৰ বিভিন্ন জিলাত জনসাধাৰণে বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তত দলৰ হৈ প্ৰচাৰ চলাবলৈ বিজেপিয়ে ৪০ জন তাৰকা নিৰ্বাচনী প্ৰচাৰকৰ নাম প্ৰকাশ কৰিছে। দলটোৱে প্ৰকাশ কৰা তাৰকা নিৰ্বাচনী প্ৰচাৰকসকলৰ নাম হ'ল- মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, ৰঞ্জীত দত্ত, কৃপানাথ মাল্লা, ভূৱনেশ্বৰ কলিতা, পৰিমল শুক্লবৈদ্য, মিছন ৰঞ্জন দাস, প্ৰদান বৰুৱা, বিজুলী কলিতা মেধি, ৰামেশ্বৰ তেলী, বিজেপি নেতা হৰিশ দ্বিবেদী, ড০ ৰাজদ্বীপ ৰায়, বিধানসভাৰ অধ্যক্ষ ডাঃ নোমল মমিন, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, পীযূষ হাজৰিকা, জয়ন্ত মল্লবৰুৱা, বিমল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু, চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহন, ৰূপেশ গোৱালা, অশোক সিংহল, নন্দিতা গাৰ্লোচা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু প্ৰশান্ত ফুকনৰ লগতে তুলিৰাম ৰংহাং, তপন গগৈ, পল্লৱলোচন দাস, পুলক গোহাঁই, দিপ্লুৰঞ্জন শৰ্মা, অশ্বিনী ৰায় সৰকাৰ, দোলেন নায়ক, শান্তিয়াছ কুজুৰ, কিশোৰ উপাধ্যায়, বলেন্দ্ৰ বসুমতাৰী।

ooooo

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ শান্তিছায়া শইকীয়া, অৱনী বৰা আৰু উপম শইকীয়াই মতামত আগবঢ়াব। অনুষ্ঠানটোৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

সমাপ্ত